- ঘৰত পানীৰ পৰিমিত সংৰক্ষণৰ বাবে পানী কলত নিয়ন্ত্রণ যতন ব্যৱহাৰ কৰিব লাগে।

৫ নং প্রশ্নৰ উত্তৰ ঃ সংৰক্ষণ আৰু সুৰক্ষাৰ ক্ষেত্রত সমাজৰ ভূমিকা অতি উল্লেখযোগ্য। এইটো আমাৰ বাবে উপলব্ধি কৰাটো অতি গুৰুত্বপূর্ণ যে আমি সকলোৱে পৰিৱেশৰ অংশ। আমি গছ আৰু জন্তুৰ সুৰক্ষাৰ বাবে প্রয়োজনীয় পৰিচর্যা ল'ব লাগে। কাৰণ উভয়েই আমাৰ কাৰণে সৌন্দর্যশালী আৰু আৱশ্যকীয়।

৬ নং প্রশ্নৰ উত্তৰ ঃ বহনক্ষম উন্নয়ণৰ ধাৰণা মতে ভৱিষ্যত সামাজিক উন্নয়ণৰ বাবে মানুহৰ উচ্চাভিলাসত কোনো ধৰণৰ ব্যাঘাত নিদিয়াকৈ সুকার্যকৰ পৰিৱেশ পৰিকল্পনা সাধন কৰা সম্ভৱপৰ হ'ব পাৰে। ই বর্তমান আৰু ভৱিষ্যত প্রজন্মৰ জীৱন যাপনৰ মান আৰু জীৱনৰ উৎকর্ষ সাধনৰ লক্ষ্য আগত ৰাখি কার্য সম্পাদন কৰে।

৭ নং প্রশ্নৰ উত্তৰ ঃ বহনক্ষম উন্নয়নৰ শিক্ষা প্রদান কৰোতে ল'বলগীয়া কৌশলসমূহ হ'ল — জনসংখ্য নিয়ন্ত্রণ, সার্বজনীন স্বীকৃতি, গণ-সজাগতাৰ অনুষ্ঠান, মূল্যভিত্তিত শিক্ষা, সৌন্দর্যাত্মিক শিক্ষা, পৰিৱেশ পৰিকল্পনা, আইনৰ কার্যকৰী কৰণ, আচৰণ পৰিৱর্তন, গণ অভিমতৰ সৃষ্টি, আন্তঃবিষয়ৰ গৱেষণা।



১০.৮ আৰ্হি প্রশ্ন

(ক) বস্তুধর্মী প্রশ্ন (৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ 'সংৰক্ষণ' বুলিলে আপুনি কি বুজে?

প্রশ্ন ২ঃ ১৯৬৮ ৰ বিশ্ব সম্প্রদায় সন্মিলন, নাইৰোবিত কি উত্থাপন হৈছিল?

প্রশ্ন ৩ঃ 'সুৰক্ষা' শব্দটোৱে কি বুজায়?

প্রশ্ন ৪ঃ 'চিপকো" শব্দটোৰ অর্থ কি?

প্রশ্ন ৫ঃ ঃ বহনক্ষম উন্নয়ণ বুলিলে আপুনি কি বুজে?

(খ) চুটি প্রশ্ন (১৫০ টা শব্দৰ ভিতৰত উত্তৰ লিখক)

প্রশ্ন ১ঃ 'ভাৰতত পৰিৱেশ সুৰক্ষাৰ বাবে থকা সাংবিধানিক ব্যৱস্থা সমূহ কি কি?

প্রশ্ন ২ঃ শক্তি সংৰক্ষণৰ ক্ষেত্রত ব্যক্তিৰ ভূমিকাসমূহ কি কি?

প্রশ্ন ৩ঃ বণ্যপ্রাণী সংৰক্ষণৰ বাবে ব্যক্তিৰ দায়িত্বসমূহ কি কি?

প্রশ্ন ৪ঃ বহনক্ষম উন্নয়ণৰ মুখ্য বৈশিষ্ট্যসমূহ উল্লেখ কৰক।